रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

**असाधारण**
**EXTRA ORDINARY**
**অসাধাৰণ**

**भाग VI - अनुभाग 1**
**PART VI - Section 1**
**ভাগ ৬ - অনুভাগ ১**

**प्राधिकार से प्रकाशित**
PUBLISHED BY AUTHORITY
**প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত**

**No. 1.] NEW DELHI, THURSDAY, SEPTEMBER 13, /22 BHADRA, 1934, (SAKA) [Vol : 7**
**নং ১ ] নতুন দিল্লী, বৃহস্পতিবাৰ, চেপ্তেম্বৰ ১৩, ২০১২/২২ ভাদ ১৯৩৪(শক) [খণ্ড ঃ ৭**

Separate paging is given to this part in order that it may be filed as a separate compilation.

বিধি আৰু ন্যায় মন্ত্ৰালয়
( বিধান বিভাগ )

নতুন দিল্লী, ৪ এপ্ৰিল , ২০১১ /১৪ চ'ত ১৯৩৩ (শক)

(১) দি এণ্টি এপাৰ্থেদ (ইউনাইটেড নেইশ্ব্যনচ্ ক্যান্ভেন্শ্ব্যন ) এক্ট , ১৯৮১ (১৯৮১ৰ ৪৮)
(২) দি এণ্টি হাইয়্যাকিং এক্ট, ১৯৮২ (১৯৮২ৰ ৬৫)
(৩) দি টেকনল্যাযী ডি'ভে'ল্পমেণ্ট বোৰ্ড এক্ট, ১৯৯৫ (১৯৯৫ৰ ৪৪)
(৪) দি কেব্‌ল টেলিভিজ্যন্ নেটৱৰ্কচ্ (ৰেগুলেইশ্ব্যন ) এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৫) দি আৰ্ব্বিট্ৰেশ্ব্যন এণ্ড কনচিলিয়েশ্ব্যন এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৬) দি টেলিক'ম ৰেগিউলেইট্যাৰী অ'থ'ৰিটি অৱ ইণ্ডিয়া এক্ট, ১৯৯৭ (১৯৯৭ৰ ২৪)
(৭) দি যীয়্যাগ্ৰাফিকেল ইন্ডিকেশ্চ্যন্চ অৱ গুডচ্ (ৰেজিচ্ট্ৰেইশ্ব্যন এণ্ড প্ৰ্যাটেক্ শ্ব্যন্ ) এক্ট, ১৯৯৯ (১৯৯৯ৰ ৪৮)

নিম্নলিখিত অসমীয়া অনুবাদ এতদ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি সমূহ)অধিনিয়ম, ১৯৭৩ ( ১৯৭৩ৰ ৫০ )ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হ'ব ।

# MINISTRY OF LAW AND JUSTICE

(Legislative Department)

New Delhi, Dated the 4th April 2011/14, chaitra 1933 (SAKA)
The Translations in Assamese of the following namely : -

1. The Anti-Apartheid (United Nations Convention) Act, 1981 (48 of 1981)
2. The Anti-Hijacking Act, 1982 (65 of 1982)
3. The Technology Development Board Act, 1995 (44 of 1995)
4. The Cable Television Networks (Regulation) Act, 1995 (7 of 1995)
5. The Arbitration and Conciliation Act, 1996 (26-of 1996)
6. The Telecom Regulatory Authority of India Act, 1997 (24 of 1997)
7. The Geographical Indications of Goods (Registration and protection) Act, 1999 (48 of 1999)

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts (Central laws Act, 1973 (50 of 1973).

# বায়ু যান অপহৰণ প্ৰতিৰোধী অধিনিয়ম, ১৯৮২

## ১৯৮২ ৰ সংখ্যা ৬৫

[ ১৯৮২ ৰ ৬ নবেম্বৰ ]

**বিমানৰ অবিধিপূৰ্ণ অভিগ্ৰহণ দমন কৰাৰ বাবে আৰু ইয়াৰ সৈতে জড়িত বিষয় সমূহৰ বাবে চুক্তি প্ৰভাৱী কৰিবলৈ এখনি অধিনিয়ম।**

যিহেতুকে বিমানৰ অবিধিপূৰ্ণ অভিগ্ৰহণ দমন কৰা বাবে এখন চুক্তি ১৯৭০ চনৰ ডিচেম্বৰৰ ১৬ তাৰিখে হগত স্বাক্ষৰিত কৰা হৈছিল ;

আৰু যিহেতুকে ভাৰতবৰ্ষই উক্ত চুক্তিত সম্মতি দিয়াটো আৰু ইয়াক প্ৰভাৱী কৰাৰ বাবে আৰু ইয়াৰ সৈতে জড়িত বিষয়সমূহৰ বাবে উপবন্ধাৱলী প্ৰণয়ন কৰাটো সমীচীন হয় ;

ভাৰত গণৰাজ্যৰ ত্ৰি-ত্ৰিংশৎ বৰ্ষত সংসদৰ দ্বাৰা ইয়াক অধিনিয়মিত কৰা হওঁক ঃ-

### অধ্যায় I

### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ, প্ৰয়োগ আৰু আৰম্ভণ।

১। (১) এই অধিনিয়মখন বায়ুযান অপহৰণ প্ৰতিৰোধী অধিনিয়ম, ১৯৮২ নামেৰে অভিহিত হব।

(২) ই সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত আৰু এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যতিৰেকে কোনো ব্যক্তিৰ দ্বাৰা ভাৰতবৰ্ষৰ বাহিৰত ইয়াৰ অধীনত সংঘটিত কোনো অপৰাধৰ ক্ষেত্ৰতো ইয়াৰ প্ৰয়োগ হয়।

(৩) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখত ই বলবৎ হব।

পৰিভাষা।

২। - এই অধিনিয়মখনত প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে,

(ক) ''বিমান'' মানে সামৰিক বিমান বা সীমা শুল্ক বা আৰক্ষী সেৱাত ব্যৱহৃত এখন বিমানৰ ব্যতিৰেকে ভাৰতবৰ্ষত পঞ্জীভুক্ত হোৱা বা নোহোৱা কোনো বিমান ;

(খ) ''ভাৰতবৰ্ষত পঞ্জীভুক্ত বিমান'' মানে ভাৰতবৰ্ষত তৎসময়ৰ বাবে পঞ্জীভুক্ত হোৱা কোনো বিমান ;

(গ) ''সন্মিলিত দেশ'' মানে এখন দেশ য'ত হগ সন্মিলন তৎকালিনভাৱে বলবৎ হয় ;

(ঘ) ''হগ সন্মিলন'' মানে বিমানৰ অবিধিপূৰ্ণ অভিগ্ৰহণ দমন কৰাৰ বাবে ১৯৭০ চনৰ ডিচেম্বৰৰ ১৬ তাৰিখে হগত স্বাক্ষৰিত কৰা এখন চুক্তি ;

(ঙ) ''সামৰিক বিমান'' মানে কোনো দেশৰ নৌ, সেনা,বিমান বাহিনী বা আন কোনো সশস্ত্ৰ বাহিনীৰ বিমান আৰু, ই প্ৰয়োজনাৰ্থে বিস্তৃত এনে কোনো বাহিনীত কোনো ব্যক্তিৰ দ্বাৰা তৎসময়ৰ বাবে আদেশ কৰা প্ৰত্যেক বিমানক, অন্তৰ্ভুক্ত কৰে।

---

১। ১৫-১১-১৯৮২ অধিসূচনা নং এছ অ ৭৯৮ (ই) তাৰিখ ১২-১১-১৯৮২ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ১৯৮২, ভাগ II ধাৰা ৩ (II) দ্ৰষ্টব্য।

## অধ্যায় ॥

# বায়ু যান অপহৰণ আৰু সম্বন্ধিত অপৰাধ সমূহ

বায়ু যান অপহৰণ। ৩। (১) যিয়ে, বিমানৰ পাৰ্শ্বত উৰণৰ সময়ত অবিধিপূৰ্ণভাৱে বলেৰে বা বল দেখুওৱাৰ ভাবুকি দি বা আন কোনো প্ৰকাৰৰ ভীতি প্ৰদৰ্শনৰ দ্বাৰা সেই বিমান অভিগ্ৰহণ কৰে বা নিয়ন্ত্ৰণ কৰে, এনে বিমানৰ বায়ু যান অপহৰণৰ অপৰাধ সংঘটিত কৰে।

(২) যিয়ে, কোনো বিমানৰ সম্বন্ধত উপ ধাৰা (১)ত নিৰ্দেশিত কাৰ্য্য সমূহৰ যিকোনোটোৰ সংঘটন কৰিবলৈ প্ৰয়াস কৰে বা এনে কোনো কাৰ্য্য কৰাৰ অপপ্ৰেৰণা দিয়ে, এনে বিমানৰ বায়ু যান অপহৰণৰ অপৰাধ সংঘটিত কৰা বুলিও গণ্য হব।

(৩) এই ধাৰাৰ প্ৰয়োজনাৰ্থে এখন বিমান যাত্ৰা কৰাৰ পৰা উৰণৰ যিকোনো সময়ত যেতিয়া ইয়াৰ বহিঃ দুৱাৰবোৰ আৰোহন কৰাৰ পিছত বন্ধ কৰা হয়, অৱৰোহনৰ বাবে এনে সকলো দুৱাৰ যি মুহূৰ্ত্তলৈ নোখোলে উৰণত থকা বুলি গণ্য কৰা হব আৰু বলপূৰ্বক অৱতৰণৰ ক্ষেত্ৰত, বিমানখন চলি থকা বুলি গণ্য কৰা হব, যেতিয়ালৈকে দেশৰ সুৰক্ষা প্ৰাধিকৰণে, য'ত এনে বলপূৰ্বক অৱতৰণ হয়, সেই বিমানৰ বাবে আৰু ব্যক্তি সমূহ আৰু পাৰ্শ্বত থকা সম্পত্তিবোৰৰ বাবে, দায়িত্ব গ্ৰহণ নকৰে।

বায়ু যান অপহৰণৰ বাবে দণ্ড। ৪। যিজনেই বায়ু যান অপহৰণৰ অপৰাধটো সংঘটন কৰে, আজীৱন কাৰাবাসেৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

বায়ু যান অপহৰণৰ সৈতে জড়িত হিংসাত্মক কাৰ্য্য কৰাৰ বাবে দণ্ড। ৫। যিজনেই এখন বিমান অপহৰণৰ অপৰাধ কৰা এজন ব্যক্তি হৈ এনে অপৰাধৰ সৈতে জড়িত এনে বিমানৰ কোনো যাত্ৰী বা নাবিক সকলৰ কোনো সদস্যৰ বিৰুদ্ধে কোনো হিংসাত্মক কাৰ্য্য কৰে, তেওঁ একে দণ্ডেৰে দণ্ডিত হব যাৰ সৈতে ভাৰতবৰ্ষত তৎসময় বলবৎ হোৱা কোনো বিধিৰ অধীনত দণ্ডনীয় হলহেতেন যদিহে এনে অধিনিয়ম ভাৰতবৰ্ষত বিদ্যমান হলহেতেন।

অনুসন্ধান, ইত্যাদিৰ ক্ষমতাৰ প্ৰদান। [১][৫ক। (১) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা স্বত্বেও, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি কেন্দ্ৰীয় চৰকাৰৰ কোনো পদাধিকাৰীক দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধীনত এজন আৰক্ষী পদাধিকাৰীৰ দ্বাৰা প্ৰয়োগযোগ্য হোৱা গ্ৰেপ্তাৰ অনুসন্ধান আৰু মোকৰ্দমা কৰাৰ ক্ষমতা প্ৰদান কৰিব পাৰে।

(২) সকলো আৰক্ষী পদাধিকাৰী আৰু সকলো চৰকাৰী পদাধিকাৰীক এই অধিনিয়মৰ উপবন্ধাৱলীৰ নিষ্পাদনত উপধাৰা (১)ত নিৰ্দেশিত হোৱা কেন্দ্ৰীয় চৰকাৰৰ পদাধিকাৰীক সহায়তা কৰিবলৈ ইয়াৰ দ্বাৰা অপেক্ষিত আৰু ক্ষমতাৰোপিত কৰা হয়।]

অধিকাৰিতা। ৬। (১) উপধাৰা (২)ৰ উপবন্ধাৱলীৰ সাপেক্ষে য'ত এটা অপৰাধ ধাৰা ৪ বা ধাৰা ৫ৰ অধীনত ভাৰতবৰ্ষৰ বাহিৰত সংঘটিত কৰা হয়, এনে অপৰাধ কৰা ব্যক্তিজন এই ক্ষেত্ৰত এনেদৰে জড়িত হব যেনিবা এনে অপৰাধ ভাৰতবৰ্ষৰ ভিতৰত তেওঁক পোৱা যিকোনো স্থানত সংঘটিত হৈছিল।

(২) ধাৰা ৪ বা ধাৰা ৫ৰ অধীনত, কোনো ন্যায়ালয়ে দণ্ডনীয় এটা অপৰাধৰ সংজ্ঞান নলব যিটো ভাৰতবৰ্ষৰ বাহিৰত সংঘটিত হৈছে, যদিহে --

(ক) ভাৰতবৰ্ষত পঞ্জীভুক্ত হোৱা এখন বিমানৰ পাৰ্শ্বত এনে অপৰাধ সংঘটিত নহয়;

---

১। ১৯৯৪ৰ ৩৯নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা (১-১০-১৯৯৬ৰ পৰা প্ৰভাৱী হোৱাকৈ) অন্তঃস্থাপিত।

(খ) এনে অপৰাধ বিমানৰ পাৰ্শ্বত সংঘটিত নহয়, যিটো এজন পট্টাদাৰলৈ নাবিক বিনা তৎসময় পট্টনলৈ দিয়া হৈছে যাৰ ব্যৱসায়ৰ মুখ্য স্থান থাকে, বা য'ত তেওঁৰ ব্যৱসায়ৰ এনে স্থান নাথাকে, ভাৰতবৰ্ষত তেওঁ স্থায়ী বাসিন্দা ; বা

(গ) অভিযোজিত অভিযুক্ত ভাৰতবৰ্ষৰ বাসিন্দা নহয় বা বিমানৰ পাৰ্শ্বত যিবোৰৰ সম্বন্ধত এনে অপৰাধ সংঘটিত হৈছে যেতিয়া ভাৰতবৰ্ষত অৱতৰণ নকৰে বা ভাৰতবৰ্ষত পোৱা নাযায়।

পদাভিহিত ন্যায়ালয়।

[1][৬ক। (১) দ্ৰুত বিচাৰৰ বাবে উপবন্ধ কৰাৰ প্ৰয়োজনাৰ্থে ৰাজ্যিক চৰকাৰে, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সন্মতি সহ, চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি, অধিসূচনাত বিনিৰ্দিষ্ট কৰা দৰে এনে অঞ্চল বা অঞ্চল সমূহৰ বাবে এখন চেছন ন্যায়ালয়ক এখন পদাভিহিত ন্যায়ালয় হোৱা বুলি বিনিৰ্দিষ্ট কৰে।

১৯৭৪ৰ ২

(২) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা সত্বেও এখন পদাভিহিত ন্যায়ালয়ে, যিমানদূৰ প্ৰয়োগ সাধ্য হয়, প্ৰতিদিনৰ ভিত্তিত বিচাৰ কৰিব।

১৯৭৪ৰ ২

৬খ। (১) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা সত্বেও, -

পদাভিহিত ন্যায়ালয়ৰ দ্বাৰা বিচাৰযোগ্য অপৰাধবোৰ।

(ক) এই অধিনিয়মৰ অধীনত সকলো অপৰাধ ধাৰা ৬কৰ উপধাৰা (১)ৰ অধীনত বিনিৰ্দিষ্ট কৰা কেৱল পদাভিহিত ন্যায়ালয়ৰ দ্বাৰা বিচাৰ যোগ্য হব ;

(খ) য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ সংঘটনত এজন ব্যক্তি অভিযুক্ত হয় বা সন্দেহ কৰা হয়, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৬৭ৰ উপধাৰা (২) বা উপধাৰা (২ক)ৰ অধীনত এজন দণ্ডাধীশৰ ওচৰলৈ প্ৰেৰণ কৰা হয়, এনে দণ্ডাধীশে, তেওঁ উচিত বিবেচনা কৰা দৰে সম্পূৰ্ণ পোন্ধৰ দিনৰ অনধিক এটা অৱধিৰ বাবে য'ত এনে দণ্ডাধীশজন এজন ন্যায়িক দণ্ডাধীশ হয় আৰু সম্পূৰ্ণ সাত দিনৰ বাবে য'ত এনে দণ্ডাধীশ এজন কাৰ্য্যবাহী দণ্ডাধীশ হয়, এনে অভিৰক্ষাত এনে ব্যক্তিক আটক কৰাৰ বাবে প্ৰাধিকৃত কৰিব পাৰে ঃ

পৰন্তু য'ত এনে দণ্ডাধীশে বিবেচনা কৰে --

(I) যেতিয়া এনে ব্যক্তিক পূৰ্বোক্ত দৰে তেওঁৰ ওচৰলৈ প্ৰেৰণ কৰা হয় ; বা

(II) তেওঁৰ দ্বাৰা প্ৰাধিকৃত কৰা আটককৰণৰ অৱধিৰ অৱসানৰ পূৰ্বে কোনো সময়ৰ ভিতৰত বা সময়ত প্ৰেৰণ কৰা হয় ;

এনে ব্যক্তিৰ আটক কৰণ অনাৱশ্যক, তেওঁ অধিকাৰিতা থকা পদাভিহিত ন্যায়ালয়লৈ, এনে ব্যক্তিক প্ৰেৰণ কৰিবলৈ আদেশ দিব ;

১৯৭৪ৰ ২

(গ) পদাভিহিত ন্যায়ালয়ে, খণ্ড (খ)ৰ অধীনত ইয়ালৈ প্ৰেৰণ কৰা এজন ব্যক্তিৰ সম্বন্ধত, একে ক্ষমতা প্ৰয়োগ কৰিব যিটো, এটা গোচৰ বিচাৰ কৰিবলৈ অধিকাৰিতা থকা এজন দণ্ডাধীশে, সেই ধাৰাৰ অধীনত তেওঁলৈ প্ৰেৰণ কৰা কোনো অভিযুক্ত ব্যক্তিৰ সম্বন্ধত এনে গোচৰত দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৬৭ৰ অধীনত প্ৰয়োগ কৰিব পাৰে ;

(ঘ) এখন পদাভিহিত ন্যায়ালয়ে, এই মৰ্মে প্ৰাধিকৃত কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰৰ এজন পদাধিকাৰীৰ দ্বাৰা দিয়া এটা গোচৰৰ পৰিশীলনৰ ওপৰত, বিচাৰৰ বাবে ইয়ালৈ সংঘটিত কৰা অভিযুক্ত বিনা সেই অপৰাধৰ সংজ্ঞান লব পাৰে ;

১৯৭৪ৰ ২

(২) যেতিয়া এই অধিনিয়মৰ অধীনত এটা অপৰাধৰ বিচাৰ চলি থাকে পদাভিহিত ন্যায়ালয়ে এই অধিনিয়মৰ অধীনৰ এটা অপৰাধৰ ভিন্ন এটা অপৰাধৰো বিচাৰ কৰিব পাৰে যাৰ সৈতে অভিযুক্ত দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধীনত, একে বিচাৰত অভিযুক্ত কৰা হয়।

১৯৭৪ৰ ২
কাৰ্য্যবাহীলৈ সংহিতাৰ প্ৰয়োগ।

৬গ। এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যতিৰেকে দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ উপবন্ধাৱলী এখন পদাভিহিত ন্যায়ালয়ৰ সমক্ষত চলা কাৰ্য্যবাহীলৈ প্ৰযোজ্য হব আৰু এখন পদাভিহিত ন্যায়ালয়ৰ সমক্ষত এটা মোকৰ্দমা চলোৱা ব্যক্তিক, লোক অভিযোজক বুলি গণ্য কৰা হব।]

---

১। ১৯৯৪ৰ ৩৯নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা (১-১০-১৯৯৬ৰ পৰা প্ৰভাৱী হোৱাকৈ) অন্তঃস্থাপিত।

## অধ্যায় II

# বায়ু যান অপহৰণ আৰু সম্বন্ধিত অপৰাধ সমূহ

বায়ু যান অপহৰণ।

৩। (১) যিয়ে, বিমানৰ পাৰ্শ্বত উৰণৰ সময়ত অবিধিপূৰ্ণভাৱে বলেৰে বা বল দেখুওৱাৰ ভাবুকি দি বা আন কোনো প্ৰকাৰৰ ভীতি প্ৰদৰ্শনৰ দ্বাৰা সেই বিমান অভিগ্ৰহণ কৰে বা নিয়ন্ত্ৰণ কৰে, এনে বিমানৰ বায়ু যান অপহৰণৰ অপৰাধ সংঘটিত কৰে।

(২) যিয়ে, কোনো বিমানৰ সম্বন্ধত উপ ধাৰা (১)ত নিৰ্দেশিত কাৰ্য্য সমূহৰ যিকোনোটোৰ সংঘটন কৰিবলৈ প্ৰয়াস কৰে বা এনে কোনো কাৰ্য্য কৰাৰ অপপ্ৰেৰণা দিয়ে, এনে বিমানৰ বায়ু যান অপহৰণৰ অপৰাধ সংঘটিত কৰা বুলিও গণ্য হব।

(৩) এই ধাৰাৰ প্ৰয়োজনাৰ্থে এখন বিমান যাত্ৰা কৰাৰ পৰা উৰণৰ যিকোনো সময়ত যেতিয়া ইয়াৰ বহিঃ দুৱাৰবোৰ আৰোহন কৰাৰ পিছত বন্ধ কৰা হয়, অৱৰোহনৰ বাবে এনে সকলো দুৱাৰ যি মুহূৰ্ত্তলৈ নোখোলে উৰণত থকা বুলি গণ্য কৰা হব আৰু বলপূৰ্বক অৱতৰণৰ ক্ষেত্ৰত, বিমানখন চলি থকা বুলি গণ্য কৰা হব, যেতিয়ালৈকে দেশৰ সুৰক্ষা প্ৰাধিকৰণে, য'ত এনে বলপূৰ্বক অৱতৰণ হয়, সেই বিমানৰ বাবে আৰু ব্যক্তি সমূহ আৰু পাৰ্শ্বত থকা সম্পত্তিবোৰৰ বাবে, দায়িত্ব গ্ৰহণ নকৰে।

বায়ু যান অপহৰণৰ বাবে দণ্ড।

৪। যিজনেই বায়ু যান অপহৰণৰ অপৰাধটো সংঘটন কৰে, আজীৱন কাৰাবাসেৰে দণ্ডিত হব আৰু জৰিমনাৰ বাবেও দায়ী হব।

বায়ু যান অপহৰণৰ সৈতে জড়িত হিংসাত্মক কাৰ্য্য কৰাৰ বাবে দণ্ড।

৫। যিজনেই এখন বিমান অপহৰণৰ অপৰাধ কৰা এজন ব্যক্তি হৈ এনে অপৰাধৰ সৈতে জড়িত এনে বিমানৰ কোনো যাত্ৰী বা নাবিক সকলৰ কোনো সদস্যৰ বিৰুদ্ধে কোনো হিংসাত্মক কাৰ্য্য কৰে, তেওঁ একে দণ্ডেৰে দণ্ডিত হব যাৰ সৈতে ভাৰতবৰ্ষত তৎসময় বলবৎ হোৱা কোনো বিধিৰ অধীনত দণ্ডনীয় হলহেতেন যদিহে এনে অধিনিয়ম ভাৰতবৰ্ষত বিদ্যমান হলহেতেন।

অনুসন্ধান, ইত্যাদিৰ ক্ষমতাৰ প্ৰদান।

[১][৫ক। (১) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা স্বত্বেও, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি কেন্দ্ৰীয় চৰকাৰৰ কোনো পদাধিকাৰীক দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধীনত এজন আৰক্ষী পদাধিকাৰীৰ দ্বাৰা প্ৰয়োগযোগ্য হোৱা গ্ৰেপ্তাৰ অনুসন্ধান আৰু মোকৰ্দমা কৰাৰ ক্ষমতা প্ৰদান কৰিব পাৰে।

(২) সকলো আৰক্ষী পদাধিকাৰী আৰু সকলো চৰকাৰী পদাধিকাৰীক এই অধিনিয়মৰ উপবন্ধাৱলীৰ নিষ্পাদনত উপধাৰা (১)ত নিৰ্দেশিত হোৱা কেন্দ্ৰীয় চৰকাৰৰ পদাধিকাৰীক সহায়তা কৰিবলৈ ইয়াৰ দ্বাৰা অপেক্ষিত আৰু ক্ষমতাৰোপিত কৰা হয়।]

অধিকাৰিতা।

৬। (১) উপধাৰা (২)ৰ উপবন্ধাৱলীৰ সাপেক্ষে য'ত এটা অপৰাধ ধাৰা ৪ বা ধাৰা ৫ৰ অধীনত ভাৰতবৰ্ষৰ বাহিৰত সংঘটিত কৰা হয়, এনে অপৰাধ কৰা ব্যক্তিজন এই ক্ষেত্ৰত এনদৰে জড়িত হব যেনিবা এনে অপৰাধ ভাৰতবৰ্ষৰ ভিতৰত তেওঁক পোৱা যিকোনো স্থানত সংঘটিত হৈছিল।

(২) ধাৰা ৪ বা ধাৰা ৫ৰ অধীনত, কোনো ন্যায়ালয়ে দণ্ডনীয় এটা অপৰাধৰ সংজ্ঞান নলব যিটো ভাৰতবৰ্ষৰ বাহিৰত সংঘটিত হৈছে, যদিহে --

(ক) ভাৰতবৰ্ষত পঞ্জীভুক্ত হোৱা এখন বিমানৰ পাৰ্শ্বত এনে অপৰাধ সংঘটিত নহয়;

---

১। ১৯৯৪ৰ ৩৯নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা (১-১০-১৯৯৬ৰ পৰা প্ৰভাৱী হোৱাকৈ) অন্তঃস্থাপিত।

(খ) এনে অপৰাধ বিমানৰ পাৰ্শ্বত সংঘটিত নহয়, যিটো এজন পট্টাদাৰলৈ নাবিক বিনা তৎসময় পট্টনলৈ দিয়া হৈছে যাৰ ব্যৱসায়ৰ মুখ্য স্থান থাকে, বা য'ত তেওঁৰ ব্যৱসায়ৰ এনে স্থান নাথাকে, ভাৰতবৰ্ষত তেওঁ স্থায়ী বাসিন্দা ; বা

(গ) অভিযোজিত অভিযুক্ত ভাৰতবৰ্ষৰ বাসিন্দা নহয় বা বিমানৰ পাৰ্শ্বত যিবোৰৰ সম্বন্ধত এনে অপৰাধ সংঘটিত হৈছে যেতিয়া ভাৰতবৰ্ষত অৱতৰণ নকৰে বা ভাৰতবৰ্ষত পোৱা নাযায়।

পদাভিহিত ন্যায়ালয়।

[1][৬ক। (১) দ্ৰুত বিচাৰৰ বাবে উপবন্ধ কৰাৰ প্ৰয়োজনাৰ্থে ৰাজ্যিক চৰকাৰে, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সন্মতি সহ, চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি, অধিসূচনাত বিনিৰ্দিষ্ট কৰা দৰে এনে অঞ্চল বা অঞ্চল সমূহৰ বাবে এখন চেছন ন্যায়ালয়ক এখন পদাভিহিত ন্যায়ালয় হোৱা বুলি বিনিৰ্দিষ্ট কৰে।

১৯৭৪ৰ ২

(২) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা সত্বেও এখন পদাভিহিত ন্যায়ালয়ে, যিমানদূৰ প্ৰয়োগ সাধ্য হয়, প্ৰতিদিনৰ ভিত্তিত বিচাৰ কৰিব।

১৯৭৪ৰ ২

৬খ। (১) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা সত্বেও, -

পদাভিহিত ন্যায়ালয়ৰ দ্বাৰা বিচাৰযোগ্য অপৰাধবোৰ।

(ক) এই অধিনিয়মৰ অধীনত সকলো অপৰাধ ধাৰা ৬কৰ উপধাৰা (১)ৰ অধীনত বিনিৰ্দিষ্ট কৰা কেৱল পদাভিহিত ন্যায়ালয়ৰ দ্বাৰা বিচাৰ যোগ্য হব ;

(খ) য'ত এই অধিনিয়মৰ অধীনত এটা অপৰাধ সংঘটনত এজন ব্যক্তি অভিযুক্ত হয় বা সন্দেহ কৰা হয়, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৬৭ৰ উপধাৰা (২) বা উপধাৰা (২ক)ৰ অধীনত এজন দণ্ডাধীশৰ ওচৰলৈ প্ৰেৰণ কৰা হয়, এনে দণ্ডাধীশে, তেওঁ উচিত বিবেচনা কৰা দৰে সম্পূৰ্ণ পোন্ধৰ দিনৰ অনধিক এটা অৱধিৰ বাবে য'ত এনে দণ্ডাধীশজন এজন ন্যায়িক দণ্ডাধীশ হয় আৰু সম্পূৰ্ণ সাত দিনৰ বাবে য'ত এনে দণ্ডাধীশ এজন কাৰ্য্যবাহী দণ্ডাধীশ হয়, এনে অভিৰক্ষাত এনে ব্যক্তিক আটক কৰাৰ বাবে প্ৰাধিকৃত কৰিব পাৰে ঃ

পৰন্তু য'ত এনে দণ্ডাধীশে বিবেচনা কৰে --

(।) যেতিয়া এনে ব্যক্তিক পূৰ্বোক্ত দৰে তেওঁৰ ওচৰলৈ প্ৰেৰণ কৰা হয় ; বা

(।।) তেওঁৰ দ্বাৰা প্ৰাধিকৃত কৰা আটককৰণৰ অৱধিৰ অৱসানৰ পূৰ্বে কোনো সময়ৰ ভিতৰত বা সময়ত প্ৰেৰণ কৰা হয় ;

এনে ব্যক্তিৰ আটক কৰণ অনাৱশ্যক, তেওঁ অধিকাৰিতা থকা পদাভিহিত ন্যায়ালয়লৈ, এনে ব্যক্তিক প্ৰেৰণ কৰিবলৈ আদেশ দিব ;

১৯৭৪ৰ ২

(গ) পদাভিহিত ন্যায়ালয়ে, খণ্ড (খ)ৰ অধীনত ইয়ালৈ প্ৰেৰণ কৰা এজন ব্যক্তিৰ সম্বন্ধত, একে ক্ষমতা প্ৰয়োগ কৰিব যিটো, এটা গোচৰ বিচাৰ কৰিবলৈ অধিকাৰিতা থকা এজন দণ্ডাধীশে, সেই ধাৰাৰ অধীনত তেওঁলৈ প্ৰেৰণ কৰা কোনো অভিযুক্ত ব্যক্তিৰ সম্বন্ধত এনে গোচৰত দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৬৭ৰ অধীনত প্ৰয়োগ কৰিব পাৰে ;

(ঘ) এখন পদাভিহিত ন্যায়ালয়ে, এই মৰ্মে প্ৰাধিকৃত কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰৰ এজন পদাধিকাৰীৰ দ্বাৰা দিয়া এটা গোচৰৰ পৰিশীলনৰ ওপৰত, বিচাৰৰ বাবে ইয়ালৈ সংঘটিত কৰা অভিযুক্ত বিনা সেই অপৰাধৰ সংজ্ঞান লব পাৰে ;

১৯৭৪ৰ ২

(২) যেতিয়া এই অধিনিয়মৰ অধীনত এটা অপৰাধৰ বিচাৰ চলি থাকে পদাভিহিত ন্যায়ালয়ে এই অধিনিয়মৰ অধীনৰ এটা অপৰাধৰ ভিন্ন এটা অপৰাধৰো বিচাৰ কৰিব পাৰে যাৰ সৈতে অভিযুক্ত দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ অধীনত, একে বিচাৰত অভিযুক্ত কৰা হয়।

১৯৭৪ৰ ২ কাৰ্য্যবাহীলৈ সংহিতাৰ প্ৰয়োগ।

৬গ। এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যতিৰেকে দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ উপবন্ধাৱলী এখন পদাভিহিত ন্যায়ালয়ৰ সমক্ষত চলা কাৰ্য্যবাহীলৈ প্ৰযোজ্য হব আৰু এখন পদাভিহিত ন্যায়ালয়ৰ সমক্ষত এটা মোকৰ্দমা চলোৱা ব্যক্তিক, লোক অভিযোজক বুলি গণ্য কৰা হব।]

১। ১৯৯৪ৰ ৩৯নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা (১-১০-১৯৯৬ৰ পৰা প্ৰভাৱী হোৱাকৈ) অন্তঃস্থাপিত।

# অধ্যায় III
## বিবিধ

প্রত্যাৰ্পণৰ বিষয়ে উপবন্ধাৱলী।

৭। (১) ধাৰা ৪ আৰু ধাৰা ৫ৰ অধীনৰ অপৰাধ সমূহ প্ৰত্যাৰ্পণীয় অপৰাধৰূপে অন্তৰ্ভুক্ত হোৱা বুলি গণ্য কৰা হব আৰু সন্মিলিত দেশসমূহৰ সৈতে ভাৰতৰ দ্বাৰা কৰা সকলো প্ৰত্যাৰ্পণ সন্ধি আৰু যিবোৰ এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখত ভাৰতলৈ বিস্তৃত হয় আৰু ভাৰতত আবদ্ধ হয়, উপবন্ধিত কৰা হব।

১৯৬২ৰ ৩৪

(২) এই অধিনিয়মৰ অধীনত থকা অপৰাধ সমূহলৈ, প্ৰত্যাৰ্পণ অধিনিয়ম, ১৯৬২ৰ প্ৰয়োগৰ প্ৰয়োজনাৰ্থে, এখন সন্মিলিত দেশত পঞ্জীভুক্ত হোৱা কোনো বিমান যেতিয়া ই উৰি থাকে, কোনো আন দেশৰ অধিকাৰিতাৰ ভিতৰত, ই তৎসময় বলবৎ হওঁক বা নহওঁক সেই দেশৰ অধিকাৰিতাৰ ভিতৰত থকা বুলি গণ্য কৰা হব।

জামিনৰ বিষয়ে উপবন্ধাৱলী।

[1][৭ক। (১) দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা স্বত্বেও, এই অধিনিয়মৰ অধীনত দণ্ডনীয় এটা অপৰাধত অভিযুক্ত হোৱা কোনো ব্যক্তিক, যদিহে অভিৰক্ষাত থাকে, জামিনত বা তেওঁৰ নিজা বন্ধপত্ৰত খালাচ দিয়া নহব যদিহে --

(ক) লোক অভিযোজকক এনে মুক্তিৰ বাবে আবেদনৰ বিৰোধিতা কৰিবলৈ এটা সুযোগ দিয়া নহয় ; আৰু

(খ) য'ত লোক অভিযোজকে আবেদনৰ বিৰোধিতা নকৰে, ন্যায়ালয় সন্তুষ্ট হয় যে তেওঁ এনে অপৰাধৰ বাবে দোষী নহয় আৰু তেওঁ জামিনত থকা কালত কোনো অপৰাধ সংঘটিত কৰাৰ সম্ভৱনা নাই বুলি বিশ্বাস কৰিবলৈ যুক্তিযুক্ত কাৰণ আছে।

১৯৭৪ৰ ২

(২) উপধাৰা (১)ত বিনিৰ্দিষ্ট জামিন মঞ্জুৰ কৰণত থকা পৰিসীমা, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ বা জামিন মঞ্জুৰ কৰণত তৎসময় বলবৎ থকা কোনো আন বিধিৰ অধীনত থকা পৰিসীমাৰ অতিৰিক্ত হয়।

১৯৭৪ৰ ২

(৩) এই ধাৰাৰ অন্তৰ্বিষ্ট কোনো কথাই , দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ৪৩৯ৰ অধীনত জানিমৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ বিশেষ ক্ষমতাক কাৰ্য্যকৰী কৰিবলৈ গণ্য নহব।]

সন্মিলনৰ সংবিদাকাৰী পক্ষ।

৮। - কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি, কোনবোৰ হগ সন্মিলনৰ সংবিদাকাৰী পক্ষ হয় আৰু কিমান বিস্তাৰনলৈ তেওঁ লোকে সন্মিলনৰ উপবন্ধাৱলী উপভোগ কৰিছে সেই বিষয়ে, প্ৰমাণিত কৰিব পাৰে, আৰু এনে কোনো অধিসূচনা, তাত প্ৰমাণিত হোৱা বিষয় সমূহৰ নিশ্চায়ক সাক্ষ্য হব।

কেতবোৰ বিমানক সন্মিলিত দেশত পঞ্জীভুক্ত হোৱা বুলি ধৰি লোৱা ক্ষমতা।

৯। যদিহে কেন্দ্ৰীয় চৰকাৰ সন্তুষ্ট হয় যে হগ সন্মিলনৰ অনুচ্ছেদ ৫ৰ অপেক্ষাকৰণ সমূহ, কোনো বিমানৰ সম্বন্ধত, সন্তোষিত হৈছে ই চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিৰ্দেশ দিব পাৰে যে এনে বিমান, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, অধিসূচনাত বিনিৰ্দিষ্ট কৰা দৰে এনে সন্মিলিত দেশৰ পঞ্জীভুক্ত বিমান ৰূপে গণ্য হব।

অভিযোজনৰ বাবে পূৰ্ব সংমোদন আৱশ্যক।

১০। এই অধিনিয়মৰ অধীনত এটা অপৰাধৰ বাবে কোনো মোকৰ্দমা কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব সংমোদন ব্যতিৰেকে ৰুজু কৰা নহব।

ধাৰা ৪ আৰু ৫ৰ অধীনত অপৰাধ সমূহৰ বিষয়ে প্ৰাক্ ধাৰণা।

[2][১০ক। ধাৰা ৪ বা ধাৰা ৫ৰ অধীনত এটা অপৰাধৰ বাবে কোনো মোকৰ্দমাত যদিহে প্ৰমাণিত হয় -

(ক) যে অস্ত্ৰ-শস্ত্ৰ, খাৰ-বাৰুদ বা বিস্ফোৰক পদাৰ্থ অভিযুক্তৰ দখলৰ পৰা পুনৰুদ্ধাৰ কৰা হৈছিল আৰু বিশ্বাস কৰিবলৈ কাৰণ থাকে যে সদৃশ প্ৰকৃতিৰ এনে অস্ত্ৰ-শস্ত্ৰ, খাৰ-বাৰুদ বা বিস্ফোৰক পদাৰ্থ এনে অপৰাধৰ সংঘটনত ব্যৱহাৰ কৰা হৈছিল ; বা

---

১। ১৯৯৪ৰ ৩৯নং অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা (১-১০-১৯৮৬ৰ পৰা প্ৰভাৱী হোৱাকৈ) অন্তঃস্থাপিত।

২। একে অধিনিয়মৰ ধাৰা ৫ৰ দ্বাৰা (১-১০-১৯৮৬ৰ পৰা প্ৰভাৱী হোৱাকৈ) অন্তঃস্থাপিত।

(খ) যে এনে অপৰাধৰ সংঘটনৰ সম্পৰ্কত নাবিক বা যাত্ৰীক বল প্ৰয়োগ কৰা, ভীতি প্ৰদৰ্শন কৰা বা কোনো আন প্ৰকাৰৰ ভাবুকি দিয়াৰ সাক্ষ্য থাকে ;

পদাভিহিত ন্যায়ালয়ে অনুমান কৰিব, যদিহে বৈপৰীত প্ৰমাণ নহয়, যে অভিযুক্তই এনে অপৰাধ সংঘটিত কৰিছিল ।]

**সৰল বিশ্বাসত লোৱা কাৰ্য্যৰ ৰক্ষণ ।**

১১। (১) কোনো বাদ, মোকৰ্দমা বা আন বিধিক কাৰ্য্যবাহী কোনো কাৰ্য্যৰ বাবে কোনো ব্যক্তিৰ বিৰুদ্ধে নচলিব যিবোৰ এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত সৰল বিশ্বাসত কৰা হয় বা কৰা বুলি অভিপ্ৰেত হয় ।

(২) কোনো বাদ বা আন বিধিক কাৰ্য্যবাহী কোনো কাৰ্য্যৰ বাবে কৰা বা কৰা বুলি কাৰিত হোৱাৰ সম্ভাৱনা থকা কোনো ক্ষতিৰ বাবে, কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে কৰা নহ'ব যিবোৰ এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত সৰল বিশ্বাসত কৰা হয় বা কৰা বুলি অভিপ্ৰেত হয় ।

---------